যোৰহাট মহাবিদ্যালয়ৰ প্ৰশংসনীয় পদক্ষেপ

বানপীড়িত এলেকাৰ শিক্ষাৰ্থীক শৈক্ষিক সামগ্ৰী প্ৰদান



প্ৰতিদিন সংবাদ, যোৰহাট, ১৭ আগষ্ট ঃ যোৰহাটৰ আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু ছাত্ৰ একতা সভাৰ এক পদক্ষেপে দৃষ্টি আকৰ্ষণ কৰিছে সকলোৰে। নতুনকৈ মহাবিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ যি পৰম্পৰা আছিল, এই বৰ্ষত বান বিভীষিকাৰ বাবে সেই অনুষ্ঠান আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ একতা সভাই। মহাবিদ্যালয়খনৰ হ'বলগা নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত নকৰি সেই পুঁজিৰে বানপীড়িত এলেকাৰ শিক্ষাৰ্থীক সহায় কৰাৰ ব্যতিক্ৰমী পদক্ষেপে বিশেষভাৱে সমাদৰ লাভ কৰিছে। কালি প্ৰথম পৰ্যায়ত উত্তৰ-পশ্চিম যোৰহাটৰ শ'লমৰা-চেঙেলীআটীৰ প্ৰথম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শতাধিক ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি, বহী, পেন, পেঞ্চিল, জ্যামিতি বক্স, প্ৰসংগ পুথি, স্কুল বেগ আদি বিতৰণ কৰা হয়। এলেকাটোৰ শ'লমৰা, চেঙেলীআটী, নহতীয়া, ধনখুলৈ, খঙীয়াচুক, ভগনীয়াচুক আদি গাঁৱৰ শতাধিক ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ লগতে বিদ্যায়তনিক সামগ্ৰী প্ৰদান কৰা হয়। যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সৌমিত্ৰ পূজাৰীয়ে উদ্বোধন কৰা কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপিকা স্বপ্নাজ্যোতি বৰাৰ লগতে ছাত্ৰ একতা সভাৰ সদস্য আৰু এন এছ এছ গোটৰ সদস্য-সদস্যাসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২০ জুলাইৰ নিশা অহা ভোগদৈৰ বানত উক্ত এলেকাৰ বহু ছাত্ৰ-ছাত্ৰীৰ কিতাপ, বহী তথা শৈক্ষিক সামগ্ৰী আৰু ইউনিফৰ্ম পানীত উটি গৈছিল।